# অসম আদিত্য

মাঘ, ১৯৪৭ শক ■ মঙলবাৰ, ৩ ফেব্ৰুৱাৰী, ২০২৬ ■ Asom Aditya, Dibrugarh, Tuesday, February 3, 2026 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহা


যান-জঁটৰ সমস্যা সমাধানৰ বাবে বাৰম্বাৰ দাবী জনোৱাৰ পিছতো কৰ্তৃপক্ষই এই ক্ষেত্ৰত কোনোধৰণৰ পদক্ষেপ গ্ৰহণ কৰা নাই। আনহাতে, কলেজ ৰোডটো বহল কৰাৰ পৰিবৰ্তে দুয়োকাষে দোকান-পোহাৰ নিৰ্মাণ কৰি পথটো অধিক সংকীৰ্ণ কৰি তোলা হৈছে। ইয়াৰ উপৰি চহৰখনত কোনো পাৰ্কিঙৰ ব্যৱস্থা নথকাৰ বাবে সৰ্বসাধাৰণ ৰাইজে চৰম দুৰ্ভোগ ভুগিবলগীয়া হৈছে। সভাপতিগৰাকীয়ে ক্ষোভ প্ৰকাশ কৰি কয় যে সমগ্ৰ চাবুৱা চহৰত বৰ্তমান আৱৰ্জনাৰ দ'মে এক দুৰ্গন্ধময় পৰিৱেশৰ শংকিত কৰি তুলিছে। ইফালে, চহৰখনৰ একমাত্ৰ মহাত্মা গান্ধী আদৰ্শ চিকিৎসালয়খনতো শিশু চিকিৎসকৰ লগতে এই বিভাগৰ বিশেষজ্ঞ চিকিৎসকৰ অভাৱত ৰাইজে হাহাকাৰ কৰিবলগীয়া হৈছে। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোনোৱালৰ লগতে দুগৰাকীকৈ বিধায়ক থকাৰ পাছতো চাবুৱা চহৰৰ এই দুৰৱস্থাক অত্যন্ত দুৰ্ভাগ্যজনক বুলি সভাপতিগৰাকীয়ে উল্লেখ কৰে। ইয়াৰ লগতে গাঁৱৰ খাটি-খোৱা ক্ষুদ্ৰ ব্যৱসায়ীসকলৰ বাবে এখন সুকীয়া বজাৰৰ স্থান নিৰ্ধাৰণ কৰিবলৈও তেওঁ

## ণিজ্য মহাবিদ্যালয়ৰ




## ডিএইচএছকে কলেজত আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনা চক্ৰৰ আয়োজন

**ষ্টাফ ৰিপ'ৰ্টাৰ, ২ ফেব্ৰুৱাৰী ঃ** ভাৰত ৰত্ন, সুধাকণ্ঠ ড০ ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকীৰ লগত সংগতি ৰাখি ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)ৰ অসমীয়া বিভাগৰ উদ্যোগত, মহাবিদ্যালয়খনৰ আভ্যন্তৰীণ মান নিৰ্ণায়ক কোষ, বাংলা বিভাগ, হিন্দী বিভাগ আৰু সংস্কৃত বিভাগৰ সহযোগত ৬ আৰু ৭ ফেব্ৰুৱাৰীত 'ড০ ভূপেন হাজৰিকা ঃ অসমীয়া জাতীয়তাবাদ আৰু বৃহত্তৰ মানৱতা' শীৰ্ষক আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনা চক্ৰ অনুষ্ঠিত হ'ব। দুদিনীয়াকৈ অনুষ্ঠিত হ'বলগীয়া আলোচনা চক্ৰখনিৰ উদ্বোধনী সভাত আদৰণী ভাষণ প্ৰদান কৰিব মহাবিদ্যালয়খনৰ অধ্যক্ষ ড০ শশীকান্ত শইকীয়াই। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰাণী বিজ্ঞান বিভাগৰ প্ৰাধ্যাপক তথা মহাবিদ্যালয়খনৰ পৰিচালনা সমিতিৰ সভাপতি ড০ লখিৰাম শইকীয়াই উদ্বোধন কৰিবলগীয়া আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনা চক্ৰখনিৰ বীজ ভাষণ প্ৰদান কৰিব দিল্লী বিশ্ববিদ্যালয়ৰ ভাৰতীয় ভাষা আৰু সাহিত্য অধ্যয়ন বিভাগৰ অধ্যাপক ড০ ৰত্নোত্তমা দাসে। জাৰ্মান নিৱাসী বিশিষ্ট লেখক প্ৰাঞ্জল প্ৰতীম শইকীয়াই অনুষ্ঠানত মুখ্য অতিথি হিচাপে অনলাইন যোগে সংযোগ হ'ব। আলোচনা চক্ৰখনিৰ সমন্বয়ক ড০ মন্‌মী বৰুৱাই জনোৱা মতে অসম আৰু দাঁতিকাষৰীয়া বিভিন্ন ৰাজ্যৰ লগতে ভাৰতবৰ্ষৰ বিভিন্ন বিশ্ববিদ্যালয় আৰু মহাবিদ্যালয়ৰ গৱেষক, অধ্যাপক-অধ্যাপিকা আৰু ছাত্ৰ-ছাত্ৰী মিলি মুঠ ১৮০ গৰাকী অংশ গ্ৰহণকাৰীয়ে গৱেষণা-পত্ৰ পাঠ কৰিব। আনহাতে, আলোচনা চক্ৰৰ সমান্তৰালভাৱে গ্ৰামোফ'ন ৰেকৰ্ডৰ সংগ্ৰাহক উমানন্দ দুৱৰাই ড০ ভূপেন হাজৰিকাৰ গীতৰ বচা বচা গ্ৰামোফ'নৰ পুৰণি ৰেকৰ্ডসমূহৰ প্ৰদৰ্শনী অনুষ্ঠিত কৰিব। আলোচনা চক্ৰখনিৰ লগত সংগতি ৰাখি সুধাকণ্ঠৰ জীৱন কেন্দ্ৰিক গ্ৰন্থৰ বিপনীৰো ব্যৱস্থা কৰা হৈছে। ৬ ফেব্ৰুৱাৰীৰ সন্ধিয়া ড০ ভূপেন হাজৰিকাৰ সংগীতৰ এটি বৰ্ণাঢ্য অনুষ্ঠানৰো আয়োজন কৰা হৈছে বুলি উদ্যোক্তাসকলে জনাইছে। আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ এই আলোচনা চক্ৰখনি সাফল্যমণ্ডিত কৰিবলৈ উদ্যোক্তাসকলে সংশ্লিষ্ট সকলোৰে পৰা সহায়-সহযোগিতা কামনা কৰিছে।

সত্ৰ প্ৰদীপ' উপাধি ড° প

## ১৫,৫৫৫

## একেলগে দিহা

ৰিপ'ৰ্টাৰ, শিৱসাগৰ, ২ ফেব্ৰুৱাৰী ঃ হোম ৰাজ শাসনৰ স্বৰ্ণিল ঐতিহ্য বহন কৰি শিৱসাগৰ আজি বৈকুণ্ঠ ধামলৈ পৰিণত । সতী জয়মতীৰ স্বামী ভক্তিৰ সৈতে

## দখুৱায় ঃ মুখ্যম

## ৰ ভৱন

